NSD NEWS BULLETIN
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ সুৰক্ষাক প্ৰত্যাহ্বান জনোৱা যিকোনো সন্ত্ৰাসবাদী সংগঠনক যোগ্য প্ৰত্যুত্তৰ দিয়াৰ ভাৰতৰ সংকল্পৰ বিষয়ে সজোৰে প্ৰকাশ কৰিছে।

২। কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে কালি নতুন দিল্লীত দেশজোৰা বাল্য বিবাহ মুক্ত ভাৰত অভিযানৰ শুভাৰম্ভ কৰে।

৩। বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আজিৰ পৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাৰ দ্বাদশ সংস্কৰণৰ আয়োজন কৰা হৈছে।

৪। ইজৰাইল চৰকাৰে লেবাননত হিজবুল্লাহৰ সৈতে যুদ্ধবিৰতিৰ চুক্তিত অনুমোদন জনাইছে। ***আৰু***

৫। ৰাষ্ট্ৰীয় ড'পিং প্ৰতিৰোধী সংস্থাই ড'পিং টেষ্টৰ বাবে নমুনা প্ৰদান কৰিবলৈ অস্বীকাৰ কৰাৰ বাবে বজৰং পুনিয়াক ৪ বছৰৰ বাবে নিলম্বন কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ সুৰক্ষাক প্ৰত্যাহ্বান জনোৱা যিকোনো সন্ত্ৰাসবাদী সংগঠনক যোগ্য প্ৰত্যুত্তৰ দিয়াৰ ভাৰতৰ সংকল্পৰ বিষয়ে সজোৰে প্ৰকাশ কৰিছে। নতুন দিল্লীৰ উচ্চতম ন্যায়ালয়ত কালি সংবিধান দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীমোদীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতে গণতন্ত্ৰৰ এই গুৰুত্বপূৰ্ণ উৎসৱ পালন কৰাৰ এই দিনটোতে যে মুম্বাই সন্ত্ৰাসবাদী আক্ৰমণ সংঘটিত হৈছিল সেই কথাও কেতিয়াও পাহৰিব নোৱাৰে। তেওঁ এই আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকললৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে সংবিধানখন দেশৰ আশা-আকাংক্ষা আৰু আৱশ্যকতাৰ দিশৰ পৰা সফল হৈছে আৰু ই নাগৰিকসকলৰ বাবে পথ প্ৰদৰ্শক হিচাপে কাম কৰি আহিছে। সংবিধানখন ৰাষ্ট্ৰৰ বৰ্তমান আৰু ভৱিষ্যতৰ পথ প্ৰদৰ্শক বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ কয়, যে বিগত ৭৫ বছৰত যেতিয়াই কোনো প্ৰত্যাহ্বানৰ উদ্ভৱ হৈচছে তেতিয়াই সংবিধানখনে সেই প্ৰত্যাহ্বানৰ সমাধানৰ বাবে সঠিক পথৰ সন্ধান দিছে। তেওঁ লগতে কয়, যে এই ৭৫ বছৰীয়া সময়ছোৱাত জৰুৰীকালীন অৱস্থাৰ দৰে সময়ো আহিছে আৰু সংবিধানখনো এই প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া  হৈছে। সংবিধানৰ শক্তিৰ বাবে ইয়াক জম্মু-কাশ্মীৰত সম্পূৰ্ণ ৰূপে ৰূপায়ণ কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে এইবেলি প্ৰথমবাৰৰ বাবে অঞ্চলটোত সংবিধান দিৱস উদযাপন কৰা হৈছে। তেওঁ কয় যে ভাৰত আমূল পৰিৱৰ্তনত গুৰুত্বপূৰ্ণ পৰ্যায়ৰ মাজেৰে অগ্ৰসৰ হৈছে আৰু সংবিধানে আমাক আগুৱাই যোৱাত সহায় কৰিছে। শ্ৰীমোদীয়ে কয় যে দেশে জনসাধাৰণৰ জীৱন সুচল কৰি তোলাত গুৰুত্ব আৰোপ কৰি আহিছে। জনসাধাৰণৰ জীৱন সুচল কৰি তোলাৰ বাবে লোৱা ব্যৱস্থাৰ উদাহৰণ দি শ্ৰীমোদীয়ে কয় যে পূৰ্বতে জ্যেষ্ঠ নাগৰিকসকলে পেঞ্চন লাভৰ বাবে জীৱন প্ৰমাণ-পত্ৰ দাখিল কৰিবলৈ বেংকলৈ যাবলগীয়া হৈছিল যদিও সম্প্ৰতি তেওঁলোকে নিজৰ ঘৰৰ পৰাই ডিজিটেল জীৱন প্ৰমাণপত্ৰ দাখিলৰ সুবিধা লাভ কৰিছে। এই পদক্ষেপৰ পৰা প্ৰায় ১ কোটি ৫০ লাখ

জ্যেষ্ঠ নাগৰিক উপকৃত হৈছে বুলি শ্ৰীমোদীয়ে জানিবলৈ দিয়ে। প্ৰধানমন্ত্ৰীয়ে কয় যে এই বছৰ ভাৰতীয় সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰ সম্পূৰ্ণ হৈছে আৰু এই সাফল্যক লৈ সমগ্ৰ ৰাষ্ট্ৰ গৌৰৱান্বিত। এই উপলক্ষে প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতীয় ন্যায়পালিকাৰ ২০২৩-২৪ বাৰ্ষিক প্ৰতিবেদন জাৰি কৰে।

০০০০০

পেঞ্চনাৰ আৰু বৃদ্ধ নাগৰিকৰ সুবিধাৰ বাবে প্ৰৱৰ্তন কৰা ডিজিটেল জীৱন প্ৰমাণ পত্ৰ, অৰ্থাৎ ডি এল চি অভিযানৰ তৃতীয় সংস্কৰণে অভিলেখসংখ্যক এক কোটিৰো অধিক লোকক সামৰি লৈছে। কৰ্মচাৰী, ওজৰ-আপত্তি নিস্পত্তি আৰু পেঞ্চন ৰাজ্য মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে এই বিষয়ে জানিবলৈ দিছে। ড০ সিঙে কয় যে এই অভিযানে জ্যেষ্ঠ নাগৰিকসকলৰ জীৱন-যাপন সহজ কৰাত সহায়ৰ হাত আগবঢ়াইছে।

যোৱা ১ নৱেম্বৰত পৰা ভাৰতৰ ৮০০ খন চহৰ আৰু নগৰত এই অভিযান আৰম্ভ কৰা হয়। চলিত মাহৰ প্ৰথম ২৫ দিনৰ ভিতৰত সমগ্ৰ দেশতে এহেজাৰ নশটাৰো অধিক শিবিৰ অনুষ্ঠিত কৰা হৈছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি চাৰিদিনীয়া ভ্ৰমণসূচীৰে তামিলনাডুলৈ যাব। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি ৱেলিংটনৰ প্ৰতিৰক্ষা সেৱা ষ্টাফ কলেজৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু প্ৰশিক্ষাৰ্থী বিষয়াসকলক সম্বোধি ভাষণ দিব। শ্ৰীমতী মুৰ্মুৱে কাইলৈ উধগমণ্ডলমস্থিত ৰাজভৱনত নীলগিৰি জিলাৰ জনজাতীয় মহিলা আত্ম-সহায়ক গোট আৰু জনজাতীয় সম্প্ৰদায়ৰ বিশিষ্ট সদস্যসকলৰ সৈতে মত-বিনিময় কৰিব। শুকুৰবাৰে ৰাষ্ট্ৰপতিগৰাকীয়ে তিৰুৱৰুৰ তামিলনাডু কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন সমাৰোহত ভাগ ল'ব।

০০০০০০

কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে কালি নতুন দিল্লীত দেশজোৰা বাল্য বিবাহ মুক্ত ভাৰত অভিযানৰ শুভাৰম্ভ কৰে। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে বাল্যবিবাহ মুক্ত ভাৰত পোৰ্টেলো মুকলি কৰে। সজাগতা সৃষ্টি, বাল্যবিবাহ ৰোধ আৰু এনে ঘটনাৰ বিষয়ে ততালিকে জনোৱাত সহায় হোৱাকৈ এই পোৰ্টেলটো বিকশাই তোলা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে এই অভিযানৰ সময়ছোৱাত বাল্যবিবাহৰ বিৰুদ্ধে সমূহীয়া শপতবাক্য পাঠ কৰাব। অভিযানৰ সময়ছোৱাত সংকল্প গ্ৰহণ কৰা লোকৰ সংখ্যা ২৫ কোটিৰো অধিক হোৱাৰ সম্ভাৱনা আছে।

০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ে দেশী-বিদেশী পৰ্যটকৰ বাবে উত্তৰ পূৰ্বাঞ্চলৰ সম্ভাৱনাৰ বিষয়ে আলোকপাত কৰাৰ উদ্দেশ্যে বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আজি আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাৰ দ্বাদশ সংস্কৰণৰ আয়োজন কৰিছে। এই মেলা উত্তৰ পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ পৰ্যটন ব্যৱসায়ী আৰু উদ্যমীসকলক একেলগ কৰাৰ গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে পৰিগণিত হ'ব।

এই মেলাত অংশ ল'বলৈ অহা শতাধিক বিদেশী পৰ্যটকে কালি চৰাইদেউ মৈদাম পৰিদৰ্শন কৰে। পৰ্যটকসকলে মৈদামত উপস্থিত তেওঁলোকে টাই-আহোম পৰম্পৰাগত ফুৰালুঙৰ লগতে অসমীয়া খাদ্যাভাস তথা সংস্কৃতিৰ আভাস লয়। পৰ্যটকৰ দলটোৱে শিৱসাগৰত উপস্থিত হৈ ৰংঘৰৰ লগতে আহোম কীৰ্তিস্তম্ভসমূহ পৰিদৰ্শন কৰে। শিৱসাগৰৰ পৰা দলটোৱে কাজিৰঙা অভিমুখে ৰাওনা হয়।

০০০০০

মহাৰাষ্ট্ৰৰ সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত ভোটদান হোৱা মুঠ ভোট আৰু গণনা কৰা মুঠ ভোটৰ সংখ্যাৰ অমিল হোৱাৰ অভিযোগ উত্থাপন কৰা এটা অনলাইন নিউজ পৰ্টেলৰ প্ৰতিবেদনক নিৰ্বাচন আয়োগে খাৰিজ কৰিছে। আয়োগে এই বাতৰিক বিভ্ৰান্তিকৰ, ভুল আৰু ভিত্তিহীন বুলি অভিহিত কৰিছে। মহাৰাষ্ট্ৰৰ মুখ্য নিৰ্বাচনী বিষয়াই পৰ্টেলটোৰ সম্পাদকলৈ লিখা এখন পত্ৰত ৫ লাখৰো অধিক ভোটৰ সংখ্যাৰ মিল নথকাৰ এই অভিযোগ চাঞ্চল্য সৃষ্টিৰ বাবে আৰু ইচ্ছাকৃতভাৱে উত্থাপন কৰা বুলি স্পষ্ট কৰি দিছে। আয়োগে কয় যে মুঠ ভোটৰ অংশ হিচাপে থকা ডাক বেলটসমূহৰ সংখ্যা পৰ্টেলৰ বাতৰিটোত অন্তৰ্ভুক্ত কৰা হোৱা নাছিল। আয়োগে বাতৰিটোৰ সমালোচনা কৰি কৈছে যে ই বিভ্ৰান্তিকৰ, ভুল আৰু সঠিক হিচাপ নকৰাকৈ খৰখেদাকৈ লিখি প্ৰকাশ কৰা হৈছে।

০০০০০

ইজৰাইল চৰকাৰে লেবাননত হিজবুল্লাহৰ সৈতে যুদ্ধবিৰতি চুক্তিত অনুমোদন জনাইছে। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৰ কাৰ্যালয়ে যোৱা নিশা এই কথা প্ৰকাশ কৰিছে। আমেৰিকা আৰু ফ্ৰান্সৰ উদ্যোগত হোৱা এই যুদ্ধবিৰতি চুক্তিৰ ফলত যোৱা এটা বছৰত লেবাননত প্ৰায় ৩ হাজাৰ ৮০০ লোকৰ প্ৰাণ কাঢ়ি নিয়াৰ উপৰি প্ৰায় ১৬ হাজাৰ লোকক আহত কৰা যুদ্ধখন বন্ধ হৈ যাব বুলি আশা কৰা হৈছে। ইজৰাইলৰ প্ৰতিৰক্ষা বিষয়ক কেবিনেটৰ অনুমোদনৰ পাছত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰঁ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইডেনে এটা যৌথ বিবৃতিৰ জৰিয়তে দুয়োখন ৰাষ্ট্ৰই ইজৰাইল আৰু লেবাননৰ সৈতে কাম কৰি চুক্তিখন সম্পূৰ্ণৰূপে কাৰ্যকৰী আৰু বলবৎ কৰাটো নিশ্চিত কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

০০০০০

ৰাষ্ট্ৰীয় ড'পিং প্ৰতিৰোধী সংস্থা এন এ ডি এই ৰাষ্ট্ৰীয় দল বাছনি অনুশীলনৰ সময়ত যোৱা ১০ মাৰ্চত ড'পিং টেষ্টৰ বাবে নমুনা প্ৰদান কৰিবলৈ অস্বীকাৰ কৰাৰ বাবে টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক বিজেতা বজৰং পুনিয়াক ৪ বছৰৰ বাবে নিলম্বন কৰিছে। ইয়াৰ পূৰ্বে সংস্থাটোৱে ২৩ এপ্ৰিলত বজৰং পুনিয়াক

সাময়িকভাৱে নিলম্বন কৰিছিল। ইয়াৰ পাছত মল্লযুদ্ধৰ বিশ্ব পৰিচালন সংস্থা ইউনাইটেড ৱৰ্ল্ড ৰেষ্টলিঙেও খেলুৱৈগৰাকীক নিলম্বন কৰিছিল। বজৰং পুনিয়াই অস্থায়ী প্ৰতিবন্ধকতাৰ বিৰুদ্ধে আপীল জনোৱাত এন এ ডি এৰ অনুশাসনমূলক ড'পিং প্ৰতিৰোধী কমিটীয়ে ৩১ মে'ত খেলুৱৈগৰাকীৰ প্ৰতিবন্ধকতা প্ৰত্যাহাৰ কৰিছিল। ২৩ জুনত সংস্থাটোৱে পুনিয়ালৈ অভিযোগৰ আনুষ্ঠানিক জাননী জাৰি কৰিছিল। খেলুৱৈগৰাকীয়ে এই জাননীক প্ৰত্যাহ্বান জনাইছিল। ২০ ছেপ্তেম্বৰ আৰু ৪ অক্টোবৰত অনুষ্ঠিত শুনানিৰ পাছত চূড়ান্ত নিলম্বনৰ কথা নিশ্চিত কৰা হৈছিল।

০০০০০

ইণ্ডিয়ান ছুপাৰ লীগ ফুটবল প্ৰতিযোগিতাৰ মুম্বাই ফুটবল এৰিনাত অনুষ্ঠিত এখন খেলত কালি পাঞ্জাব ফুটবল ক্লাৱে মুম্বাই চিটী ফুটবল ক্লাৱক ৩-০ গ'লত পৰাস্ত কৰে। পাঞ্জাৱৰ হৈ ইজেকুৱেল ভিডাল, লুকা মাজচেন আৰু মুছাগা বাকেংগাই এটাকৈ গ'ল দি দলৰ বিজয় নিশ্চিত কৰে। এয়া হ'ল প্ৰতিযোগিতাৰ চলিত সংস্কৰণত ঘৰুৱা মাটিত মুম্বাইৰ প্ৰথম পৰাজয়। প্ৰতিযোগিতাত আজি কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগনত হ'বলগীয়া এখন খেলত বেংগালুৰু ফুটবল ক্লাৱ মহম্মেদান স্প'ৰ্টিং ক্লাৱৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭:৩০ বজাত আৰম্ভ হ'ব।

০০০০০

প্ৰ' কাবাডী লীগত কালি দাবাং দেলহী আৰু পাটনা পাইৰেটছৰ মাজত নয়ডা ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত এখন খেল ৩৯-৩৯ ফলাফলত ড্ৰৰে সমাপ্ত হয়। খেলখনৰ প্ৰথমাৰ্ধত পাটনাই আধিপত্য বিস্তাৰ কৰে যদিও দ্বিতীয়াৰ্ধত দিল্লীৰ দলটোৱে প্ৰত্যাৱৰ্তন কৰিবলৈ সক্ষম হয়। পাটনাৰ হৈ দেৱাংকে ১৫ পইণ্ট সংগ্ৰহ কৰাৰ বিপৰীতে দিল্লীৰ আশু মালিকে দললৈ ১১ পইণ্টৰ অৱদান আগবঢ়ায়।

00000000

ঃঃ সমাপ্ত ঃঃ